# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 05-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্টৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে নাদিত উপস্থিত হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্নত ভাৰতৰ সংকল্পত উপনীত হ'বলৈ দেশৰ শক্তিখণ্ডত আত্মনিৰ্ভৰশীলতা অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰিছে।

৩। লোকসভাত আজি ২০২৪-২৫ বৰ্ষৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত পুঁজিৰ দাবী সন্দৰ্ভত আলোচনা কৰা হ'ব।

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজত কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি শ্ৰীলংকাই ভাৰতক ৩২ ৰানত পৰাজিত কৰে।

*আৰু*

৫। পেৰিছ্ অলিম্পিকত আজি বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব।

00000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু ফিজি, নিউজিলেণ্ড আৰু টিম'ৰলেষ্টৰ ত্ৰিদেশীয় ভ্ৰমণসূচীৰে কালি বিয়লি নতুন দিল্লীৰ পৰা নাদিলৈ ৰাওনা হয়। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজিৰে পৰা ৭ আগষ্টলৈ ফিজি ভ্ৰমণ কৰিব। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে, এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ ঐতিহাসিক সম্পৰ্কক অধিক সুদৃঢ় কৰিব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে ফিজিৰ ৰাজধানী ছুৱাত দেশখনৰ ৰাষ্ট্ৰপতি কাটনিভেৰে আৰু প্ৰধানমন্ত্ৰী চিটীভেনি ৰাবুকাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। তেওঁ ফিজিৰ সংসদত ভাষণ দিয়াৰ লগতে সমূহীয়া মত বিনিময় অনুষ্ঠানতো অংশগ্ৰহণ কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত শ্ৰীমতী মুৰ্মুৱে ৮ আৰু ৯ আগষ্টত নিউজিলেণ্ড ভ্ৰমণ কৰিব। তাত তেওঁ দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে ৱেলিংটনত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় শিক্ষা সন্মিলনত ভাষণ দিব। তদুপৰি তেওঁ অ'কলেণ্ডত আয়োজিত এটা সমূহীয়া অভ্যৰ্থনা অনুষ্ঠানত প্ৰৱাসী ভাৰতীয় আৰু ভাৰতৰ মিত্ৰসকলৰ সৈতে মত বিনিময় কৰিব। শ্ৰীমতী মুৰ্মু এই ত্ৰিদেশীয় ভ্ৰমণৰ অন্তিম পৰ্যায়ত টিম'ৰলেষ্টত উপস্থিত হ'ব আৰু দেশখনৰ ৰাজধানী দিলিত দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব আৰু দেশখনত বাস কৰা ভাৰতীয়সকলে আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। ৰাষ্ট্ৰপতি মুৰ্মুৰ এই ত্ৰিদেশীয় ভ্ৰমণে ভাৰতৰ পূবৰ

নীতিত গতি প্ৰদান কৰিব তথা দক্ষিণ পূৱ এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিশেষ গুৰুত্ব আৰোপৰ নীতি সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্নত ভাৰতৰ সংকল্পত উপনীত হ'বলৈ দেশৰ শক্তিখণ্ডত আত্মনিৰ্ভৰশীলতা অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰিছে। দেশৰ অভিলেখ গেছ উৎপাদনক উন্নত ভাৰতৰ লক্ষ্যৰ এটা পদক্ষেপ বুলি তেওঁ অভিহিত কৰে। এই সাফল্যৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশ-বাসীক অভিনন্দন জ্ঞাপন কৰে। কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীৰ সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে এই কথা উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২০-২১ বৰ্ষত দেশৰ গেছ উৎপাদন ২৮ দশমিক ৭ বিলিয়ন ঘন মিটাৰ আছিল আৰু ২০২৩-২৪ বৰ্ষত ৩৬ দশমিক ৪-৩ বিলিয়ন ঘন মিটাৰলৈ গেছ উৎপাদন বৃদ্ধি হৈছে। তেওঁ কয় যে ২০২৬ চনত গেছ উৎপাদন ৪৫ দশমিক ৩ বিলিয়ন ঘন মিটাৰ হোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে বিগত মাহত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কৈছিল যে ভাৰতত পেট্ৰ'লৰ দাম হ্ৰাস হৈছে আৰু চুবুৰীয়া দেশত পেট্ৰ'লৰ দাম বৃদ্ধি হৈছে।

00000

লোকসভাত আজি ২০২৪-২৫ বৰ্ষৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ অধীনত পুঁজিৰ দাবী সন্দৰ্ভত আলোচনা কৰা হ'ব। তদুপৰি গোৱা ৰাজ্যৰ বিধানসভা সমষ্টিত অনুসূচীত জনজাতিৰ প্ৰতিনিধিত্বৰ পুনঃসংযোজন বিধেয়ক ২০২৪ উত্থাপন হোৱাৰ সম্ভাৱনা আছে। আনহাতে ৰাজ্যসভাত আজি তৈলক্ষেত্ৰ (নিয়ন্ত্ৰণ আৰু উন্নয়ন) সংশোধনী বিধেয়ক ২০২৪ উত্থাপন কৰাৰ কথা। ইয়াৰ লগতে কৃষি মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভতো সদনত আলোচনা কৰা হ'ব।

00000

ভাৰত আৰু শ্ৰীলংকাৰ মাজত কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি শ্ৰীলংকাই ভাৰতক ৩২ ৰানত পৰাজিত কৰে। ভাৰতে ২৪১ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪২ অভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২০৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ ৰোহিত শৰ্মাই ৪৪টা বলত ৬৪ ৰান কৰে। শ্ৰীলংকাৰ জেফৰি ভেণ্ডাৰ্ছে ৬টাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৪০ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৱাশ্বিংটন সুন্দৰে তিনিটা আৰু কুলদ্বীপ যাদৱে দুটা উইকেট লাভ কৰে। শৃংখলাৰ প্ৰথমখন খেল ৰোমাঞ্চকৰভাৱে ড্ৰ হোৱাৰ পাছত শ্ৰীলংকাই কালিৰ জয়ৰ সুবাদত ১-০ অগ্ৰগতি লাভ কৰে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ৯ আগষ্টৰ পৰা ১৫ আগষ্টলৈ **হৰ ঘৰ তিৰংগা** অভিযানৰ অংশ হিচাপে দেশৰ জনসাধাৰণক নিজৰ বাসগৃহত ত্ৰিৰংগ পতাকা উত্তোলন কৰিবলৈ আহ্বান জনাইছে। প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৰ্ব আৰু স্বাভিমানৰ প্ৰতীক ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি একোখন ছেল্ফি **হৰ ঘৰ তিৰংগা** ৱেবছাইটত আপলোড কৰিবলৈও মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই অভিযানে বিগত দুবছৰ ধৰি ৰাষ্ট্ৰীয় আন্দোলন হিচাপে গঢ় লৈ উঠিছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ৯ বজাত দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ সচিব অতুল কুমাৰ তিৱাৰী আৰু ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ মুখ্য কাৰ্যবাহী বিষয়া তথা এন এছ ডি চি আন্তঃৰাষ্ট্ৰীয়ৰ ব্যৱস্থাপনা সঞ্চালক বেদ মণি তিৱাৰীৰ সৈতে **দক্ষ ভাৰতৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টা** সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **দক্ষতা বিকাশ সম্পৰ্কীয় চৰকাৰৰ বিভিন্ন সুবিধা তথা কেনেদৰে এই সুবিধাসমূহ গ্ৰহণ কৰিব পাৰি সেই** সন্দৰ্ভত তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ.এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে বাংলাদেশত চলি থকা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় নাগৰিকসকলক পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্যন্ত দেশখনলৈ যাত্ৰা নকৰিবলৈ কঠোৰ পৰামৰ্শ দিছে। মন্ত্ৰালয়ে বৰ্তমান বাংলাদেশত থকা সকলো ভাৰতীয় নাগৰিকক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। লগতে জৰুৰীকালীন ফোন নম্বৰৰ জৰিয়তে ঢাকাত থকা ভাৰতীয় উচ্চায়ুক্তৰ সৈতে যোগাযোগ কৰিবলৈও আহ্বান জনোৱা হৈছে।

০০০০০

হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং চাইনীয়ে ৰাজ্যখনৰ সকলো শস্য ন্যূনতম সমৰ্থন মূল্যত ক্ৰয় কৰাৰ কথা ঘোষণা কৰিছে। কুৰুক্ষেত্ৰত বিজেপিৰ বিজয় শংখনাদ ৰেলীত ভাষণ দি তেওঁ কয় যে, চৰকাৰে বৰ্তমান ন্যূনতম সমৰ্থন মূল্যত ১৪ বিধ শস্য ক্ৰয় কৰিছে। ৰাজ্য চৰকাৰে ১৩৩ কোটি টকা ব্যয় সাপেক্ষ আবিয়ানা নামেৰে পৰিচিত বিশেষ জলসিঞ্চনৰ বাবেও ৰেহাইৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ইয়াৰ দ্বাৰা কৃষকসকলে বছৰি ৫৪ কোটি টকা লাভান্বিত হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ২০২৩ চনৰ পূৰ্বে প্ৰাকৃতিক দুৰ্যোগৰ বাবে ৰোহটক, নুহ, ফাটেহাবাদ আৰু সিৰচাত ক্ষতিগ্ৰস্ত কৃষকসকলক এসপ্তাহৰ ভিতৰত ক্ষতিপূৰণ হিচাপে ঘোষণা কৰা ১৩৭ কোটি টকাৰ বাকী থকা অংশও প্ৰদান কৰা হ'ব। এই ধনৰাশি কৃষকসকলৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হ'ব। তেওঁ কয় যে, বৰ্তমান কৃষকসকলে নতুন দমকল সংযোগৰ ফলত দেশৰ যিকোনো স্থানৰ পৰা থ্ৰী ষ্টাৰ মটৰ ক্ৰয় কৰিব পাৰিব। বৰ্তমান ৰাজ্যখনত মাত্ৰ ১০টা থ্ৰী ষ্টাৰ মটৰৰ কোম্পানী পঞ্জীয়ন হৈ আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে শীঘ্ৰেই চৰকাৰী খণ্ডত ৪০ হাজাৰ পদ পূৰণ কৰা হ'ব বুলিও উল্লেখ কৰে।

০০০০০

কেৰালাৰ ভূমিস্খলন প্ৰভাৱিত ৱায়নাডত সেনা বাহিনীয়ে কালি ষষ্ঠ দিনাও একেৰাহে উদ্ধাৰ অভিযান অব্যাহত ৰাখে। জিলাখনৰ মালাপ্পুৰমৰ নিলাম্বুৰ এলেকাৰ পৰা কালি এটা মৃতদেহ উদ্ধাৰ কৰাৰ লগতে সূচীপ্পাৰা জলপ্ৰপাতৰ সমীপৰ পৰা আন এটা মৃতদেহৰ কিছু অংশ উদ্ধাৰ কৰা হয়। ইপিনে, কালি নিশা পুথুমালা অঞ্চলত ৮টা অচিনাক্ত

মৃতদেহ সৎকাৰৰ ব্যৱস্থা কৰা হয়। সেই স্থানতে সৰ্বধৰ্মীয় প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। কৰ্তৃপক্ষই মালাপ্পুৰম এলেকাত অধিক মৃতদেহৰ সন্ধান চলোৱাৰ বাবে বোকাত পোত খাই থকা  সামগ্ৰীৰ সন্ধান কৰিব পৰা স্মাৰ্ট ড্ৰ'ন ব্যৱহাৰ কৰিছে।

০০০০০

পেৰিছ অলিম্পিকত আজি বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত লক্ষ্য সেনে মালয়েছিয়াৰ জি জিয়া লিৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ বাবে অৱতীৰ্ণ হ'ব। কালিৰ ছেমি ফাইনেলত লক্ষ্য সেনে ডেনমাৰ্কৰ ভিক্টৰ এক্সেলচেনৰ হাতত ২০-২২, ১৪-২১ পোনপটীয়া ছেটত পৰাজয় বৰণ কৰে। উল্লেখযোগ্য যে, অলিম্পিকত ছেমি ফাইনেল পৰ্যায়ত খেলা লক্ষ্য সেন হৈছে ভাৰতৰ প্ৰথমগৰাকী পুৰুষ বেডমিণ্টন খেলুৱৈ।

স্কিট মিক্সড দলীয় শাখাত মহেশ্বৰী চৌহান আৰু অনন্তজিৎ সিং নাৰুকাই আজি ভাৰতৰ হৈ খেল আৰম্ভ কৰিব। আনহাতে শ্ৰীজা আকুলা, মণিকা বাট্ৰা আৰু অৰ্চনা কামাথৰ মহিলা টেবল টেনিছ দলে কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰাৰ লক্ষ্যৰে ৰাউণ্ড অব ছিক্সটিনত ৰোমানিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এথলেটিছত দুগৰাকী খেলুৱৈয়ে ভাৰতক প্ৰতিনিধিত্ব কৰিব। এছিয়ান গেমছত সোণৰ পদক লাভ কৰা অবিনাশ চাবলে ৩ হাজাৰ মিটাৰ ষ্টেপলচেজ ফাইনেলৰ বাবে অৱতীৰ্ণ হোৱাৰ বিপৰীতে কিৰণ পাহালে মহিলাৰ ৪০০ মিটাৰৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব। মল্লযুঁজৰ মহিলাৰ ৬৮ কিলোগ্ৰাম শাখাত নিশা দাহিয়াই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

মহাৰাষ্ট্ৰৰ পুনে চহৰত পুনৰ ৭ গৰাকী ব্যক্তিৰ দেহত জিকা ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। এই সাতগৰাকী নতুন ৰোগীৰ ভিতৰত আছে পাঁচগৰাকী গৰ্ভৱতী মহিলা, এজন ১৮ বছৰীয়া যুৱক আৰু এগৰাকী ৪০ বছৰীয়া পুৰুষ। জিলা স্বাস্থ্য বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি পুনে জিলাত বৰ্তমানলৈকে ৭২ গৰাকী ব্যক্তি জিকা ভাইৰাছত আক্ৰান্ত হৈছে।

০০০০০

**সমাপ্ত**